৳দনিক অসম
গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত



১০ পানীৰ সন্ধান
■ অনাহাৰে মৃত্যু

জোনাকী বাট
■ নটসূৰ্যৰ সৃষ্টি
■ হেঁপাহৰ ৰঙীণ

৭ মৰাপাট ক্ৰয়
■ আলোকযাত্ৰা



১৪ ইছনাৰ কোৱাৰ্টাৰত
■ বিশ্বকাপৰ শ্ৰেষ্ঠ গ'ল



RN-11989/65 RNP/GH-104/09-11 ■ ৫৩ বছৰ ■ ৩৪৮ সংখ্যা, ১০ শাওণ, শুকুৰবাৰ, ১৯৪০ শক ■ DAINIK ASAM : Assamese Daily ■ VOL. 53 NO. 348 ■ GUWAHATI, FRIDAY, JULY 27, 2018 ■ পৃষ্ঠা ১৮ (Pages 18) ■ ৬.০০ টকা (Rs. 6.00)

# ৰমণ মেগছেছে বঁটাৰ বাবে মনোনীত দুই ভাৰতীয়ও

**নতুন দিল্লী, ২৬ জুলাইঃ** ৰমণ মেগছেছে বঁটা বিজয়ী এইবাৰৰ ছজন লোকৰ ভিতৰত ভাৰতৰ সোণম ৱাংচু আৰু ভাৰত ভটৱানীও আছে। শিক্ষা, সংস্কৃতি আৰু প্ৰকৃতিলৈ আগবঢ়োৱা বিশেষ অৱদানৰ বাবে ৱাংচুক মেগছেছে বঁটাৰ বাবে নিৰ্বাচন কৰা বুলি বাছনি সমিতিয়ে সদৰি কৰিছে। আনহাতে, ভাৰত ভটৱানীলৈ এই সন্মান দিয়া হৈছে মানসিক বিকাৰগ্ৰস্ত একাংশক উদ্ধাৰ কৰি পৰিয়ালক চমজাই দিয়াৰ সুবাদত। স্মৰ্তব্য ৰমণ মেগছেছে বঁটাক বিদ্বৎ সমাজে নবেল বঁটাৰ এছিয়ান সংস্কৰণ হিচাপে গণ্য কৰে। ফিলিপাইনছৰ ৰাষ্ট্ৰপতিৰ ১৯৫৭চনত বিমান দুৰ্ঘটনাত মৃত্যু হোৱাৰ পিছত তেওঁৰ স্মৃতিত এই বঁটা প্ৰৱৰ্তন কৰা হয়। এইবাৰৰ বঁটা প্ৰদান অনুষ্ঠান ফিলিপাইনছৰ মেনিলাত ৩১ আগষ্টত অনুষ্ঠিত হ'ব।



ভৰত ভটৱানী          সোণম ৱাংচু